জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৯/২০২১**

# প্ৰাক্তন বিধায়ক ৰাণা গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৭ মে’ ঃ** ছয়গাঁও বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, বিশিষ্ট ক্ৰীড়া সংগঠক ৰাণা গোস্বামীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাণা গোস্বামীৰ বিয়োগত অসমে এগৰাকী বিশিষ্ট ৰাজনীতিক তথা ক্ৰীড়া সংগঠকক হেৰুৱালে। প্ৰাক্তন বিধায়কগৰাকীয়ে ছয়গাঁও সমষ্টিৰ উন্নয়নৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যখনৰ সমাজ জীৱনলৈ বিশিষ্ট অৰিহণা আগবঢ়াই গৈছে। এগৰাকী ক্ৰীড়া সংগঠক হিচাপেও প্ৰয়াত ৰাণা গোস্বামীয়ে ৰাজ্যখনৰ ক্ৰীড়া ক্ষেত্ৰখনলৈ অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ৰাণা গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ**
**১৭/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in